# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

——————————————

১।	মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠক।

২।	যোৰহাটৰ ৰবৈয়াত বায়ুসেনাৰ AN-32 শ্ৰেণীৰ পৰিবহণ বিমান দুৰ্ঘটনাত পতিত। এজন পাইলট নিহত।

৩।	তামুলপুৰ জিলাৰ কুমাৰীকাটা আৰক্ষীৰ যোৱানিশা প্ৰায় ৪৫ লিটাৰ অবৈধ অৰুণাচলী সুৰা জব্দ। **আৰু**

৪।	ফিফা বিশ্বকাপত পেৰাগুৱেৰ বিৰুদ্ধে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪-১ গ'লত জয়লাভ।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত সম্প্ৰতি লোকসেৱা ভৱনত ৰাজ্যিক মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত ৰাজ্যৰ বিভিন্ন উন্নয়নমূলক আৰু প্ৰশাসনিক বিষয় লৈ আলোচনা হোৱাৰ সম্ভাৱনা আছে। বৈঠকত বিশেষকৈ জনকল্যাণমূলক আঁচনি, উন্নয়নমূলক প্ৰকল্প আৰু প্ৰশাসনিক বিষয় সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ড° শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ এইখন তৃতীয়খন বৈঠক।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেশৰ অন্যান্য প্ৰান্তৰ বিকাশৰ সমান্তৰালকৈ উত্তৰ-পূবৰ ৰাজ্যসমূহৰ সম উন্নয়নৰ প্ৰয়োজন বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু মুখ্য সচিবসকলক লৈ অনুষ্ঠিত নীতি আয়োগৰ বিশেষ বৈঠকত কালি মুখ্যমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক উন্নয়ন আৰু আঞ্চলিক বৈষম্য দূৰীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে প্ৰতিখন ৰাজ্যৰ সম-উন্নয়ন নহ'লে আঞ্চলিক বৈষম্য বৃদ্ধি পোৱাৰ অৱকাশ থাকি যাব পাৰে। এইক্ষেত্ৰত নীতি আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ শক্তি আৰু সম্ভাৱনীয়তা অনুসৰি নীতি প্ৰস্তুত কৰিব লাগে বুলি ড° শৰ্মাই মত ব্যক্ত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা বৃহস্পতিবাৰে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত সম্পন্ন হোৱা ঐতিহাসিক চুক্তিৰ প্ৰসংগ উত্থাপন কৰি দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী অঞ্চলত থকা হাইড্ৰ'কাৰ্বনৰ দৰে প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বাবে ৰাজ্য চৰকাৰ দুখন ঐক্যমতত উপনীত হোৱাৰ কথা প্ৰকাশ কৰে। সীমা সমস্যাৰ স্থায়ী সমাধান নোহোৱালৈকে ইয়াৰপৰা আহিবলগীয়া ৰাজহ দুয়োখন ৰাজ্যই সমানে ভগাই ল'ব, যিয়ে আদৰ্শ আৰু ৰাষ্ট্ৰীয় দায়িত্ববোধক প্ৰতিফলিত কৰিছে বুলি ড° শৰ্মাই উল্লেখ কৰে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ নীতিসমূহৰ কেতবোৰ আঁসোৱাহ আঙুলিয়াই দি দিল্লীৰ পৰা কেৰল শিলিগুৰিলৈকে বুলেট ৰে'ল চলোৱাৰ পৰিকল্পনাৰ পৰিৱৰ্তে গুৱাহাটীলৈ ইয়াৰ সম্প্ৰসাৰণ কৰিবলৈ দাবী জনায়।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ভৌগলিক সূচ্যাংক লাভ কৰা তেজপুৰৰ লিচু ছিংগাপুৰলৈ ৰপ্তানীৰ শুভাৰম্ভ কৰে।

ছিংগাপুৰলৈ সুস্বাদু পিঁয়াজী প্ৰজাতিৰ ৫০০ কিলোগ্ৰাম লিচু ৰপ্তানী কৰা হৈছে। মুখ্যমন্ত্ৰী ডং শৰ্মাই সাংবাদিকৰ আগত কয়, যে তেজপুৰৰ লিচুৱে বিগত কেইটামান বছৰত আন্তঃৰাষ্ট্ৰীয় বজাৰত স্থান পাবলৈ সক্ষম হৈছে। কিছুদিনৰ আগতে কৃষি আৰু সংসাধিত খাদ্য-সামগ্ৰী ৰপ্তানী উন্নয়ন পৰিষদ, এপেডাৰ জৰিয়তে ডুবাইলৈ এহেজাৰ কিলোগ্ৰাম লিচু ৰপ্তানি কৰা হৈছিল বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে উপযুক্ত পৰিকল্পনা আৰু বহনক্ষম প্ৰচেষ্টাৰ জৰিয়তে অসমে লিচু, কাজি নেমু আৰু ভোট জলকীয়াকে ধৰি কেতবোৰ কৃষি সামগ্ৰী আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ প্ৰেৰণ কৰিব পাৰি। তেওঁ লগতে এনে পদক্ষেপে অনাগত সময়ত কৃষকসকলক উৎসাহিত কৰাৰ উপৰি লিচুৰ খেতি বৃদ্ধি কৰিব বুলি উল্লেখ কৰে। শেহতীয়াকৈ ডুবাইলৈ লিচু ৰপ্তানীৰ পাছতে ছিংগাপুৰৰ বজাৰলৈ লিচুৰ প্ৰেৰণে অসমৰ উৎকৃষ্ট মানৰ কৃষি সামগ্ৰীৰ আন্তঃৰাষ্ট্ৰীয় চাহিদা বৃদ্ধি পোৱাকে সূচায় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

অসমৰ কৃষকক বিশ্ব বজাৰৰ সৈতে সংযোগ ঘটোৱা, কৃষিজাত উৎপাদনক অধিক মূল্য সংযোজনৰ সুযোগ দিয়া তথা উৎকৃষ্টমানৰ সামগ্ৰীসমূহক আন্তৰ্জাতিক পৰ্যায়ত চিনাকি কৰি দিয়াৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

যোৰহাটৰ ৰৰৈয়াৰ বায়ুসেনা বাহিনীৰ ঘাটিত আজি বায়ুসেনাৰ AN-32 শ্ৰেণীৰ এখন পৰিবহণ বিমান দুৰ্ঘটনাত পতিত হয়। প্ৰাপ্ত বাতৰি অনুসৰি বিমানখনত অৱতৰণৰ কিছু সময়ৰ পাছতে বিস্ফোৰণ সংঘটিত হয়। দুৰ্ঘটনাত এজন পাইলট নিহত হয় আৰু আনজন আহত হয়। দুৰ্ঘটনাৰ সঠিক কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। বায়ুসেনাৰ বিষয়াসকলে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

০০০০০০

এন ডি এ চৰকাৰৰ বিগত ১২ বছৰৰ শাসনকালত বিভিন্ন ক্ষেত্ৰত অসমৰ উন্নয়নৰ গতি ত্বৰান্বিত হৈছে। যোগাযোগ ক্ষেত্ৰত ৰাজ্যখনে অভূতপূৰ্ব সফলতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। এই সন্দৰ্ভত এয়া আমাৰ চমু প্ৰতিবেদন–

বাইট

০০০০০০

অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে অসম আৰক্ষীৰ শূন্য সহনশীলতা নীতিৰ অধীনত তামুলপুৰ জিলাৰ কুমাৰীকাটা আৰক্ষীয়ে যোৱানিশা অঞ্চলটোৰ দুটা স্থানত অভিযান চলাই সফলতা লাভ কৰে। ইয়াৰে প্ৰথমটো অভিযানত বিনোৱাপুৰ গাঁৱৰ এখন গেলামালৰ দোকানৰ পৰা প্ৰায় ৪৫ লিটাৰ অবৈধ অৰুণাচলী সুৰা জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে।

আৰক্ষীয়ে আমবাৰী, নালজৰা হাবিত চলোৱা আন এটা অভিযানত তিনিজন জুৱাৰীক হাতে-লোটে কৰায়ত্ত কৰে। ধৃত লোককেইজনৰ পৰা নগদ ৩৬ হাজাৰ টকা আৰু বহু পৰিমাণৰ জুৱা খেলা সামগ্ৰী জব্দ কৰা হয়। জিলাখনত এনে অবৈধ কাৰ্যকলাপ ৰোধৰ বাবে পৰৱৰ্তী সময়তো এনে অভিযান চলোৱা হ'ব বুলি  আৰক্ষীয়ে প্ৰকাশ কৰে।

০০০০০০

অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ আজি জন্মবাৰ্ষিকী। লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰৰ দায়িত্ব পালন কৰা মিত্ৰদেৱ মহন্তই অভিনয়ৰ বাবে সংগীত নাটক একাডেমী বঁটা লাভ কৰিছিল। তেওঁ ১৫ খনকৈ শিশু উপযোগী গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত অসমত শান্তি চুক্তিৰ এটা দশক শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেন চন্দ্ৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড০ জয়ন্ত কৃষ্ণ শৰ্মা, ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো, প্ৰাক্তন মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংবাদিক সঞ্জু বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

ডিব্ৰুগড়ৰ মিলন নগৰ চাহ জনজাতি ছাত্ৰাবাসত কালি ৰাজ্য চৰকাৰৰ চাহ জনগোষ্ঠীৰ কল্যাণ বিভাগৰ কেবিনেট মন্ত্ৰী ৰামেশ্বৰ তেলী উপস্থিত হৈ আবাসীসকলৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে ছাত্ৰাবাসৰ আবাসীসকলে প্ৰস্তুতি কৰি উলিওৱা **চাং নাং** নামৰ এখন প্ৰাচীৰ পত্ৰিকা উদ্বোধন কৰি ছাত্ৰসকলৰ সৃজনীশীলতা, সাহিত্য সংস্কৃতিৰ প্ৰতি থকা আগ্ৰহ আৰু প্ৰতিভা প্ৰকাশৰ এই প্ৰয়াসক প্ৰশংসনীয় বুলি উল্লেখ কৰে। মন্ত্ৰী শ্ৰীতেলীয়ে কয়, যে এই প্ৰাচীৰ পত্ৰিকাখনে নতুন চিন্তা, জ্ঞান চৰ্চা আৰু সৃষ্টিশীলতাৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

ফিফা বিশ্বকাপত আজি পুৱা লজ এঞ্জেলছৰ ছ'ফি ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-ডিৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰই পেৰাগুৱেক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

ইয়াৰ পূৰ্বে যোৱা নিশা টৰণ্টো ষ্টেডিয়ামত অনুষ্ঠিত ব'ছনিয়া—হাৰ্জেগভিনাৰ বিৰুদ্ধে গ্ৰুপ বিৰ এখন খেল ১-১ গ'লত ড্ৰ' হোৱাত সহ-আয়োজক দেশ কানাডাই প্ৰথমটো পইণ্ট অৰ্জন কৰে। ব'ছনিয়াই খেলখনৰ ২১ মিনিটত প্ৰথমটো গ'ল দিয়াৰ বিপৰীতে কানাডাই ৭৮ মিনিটত প্ৰথমটো গ'ল দিয়ে।

০০০০০০

**সমাপ্ত**